ছাগলীৰ কাৰণে এটা স্বাস্থ্যবান মতা (পঠা) ছাগলীৰ প্ৰয়োজন। আন্তঃপ্ৰজনন (Inbreeding) ৰোধ কৰিবৰ বাবে প্ৰজননৰ কাৰণে ব্যৱহাৰ কৰা মতা ছাগলীটো অন্ততঃ ১$^1/_2$ - ২ বছৰৰ মূৰে মূৰে সলনি কৰাটো অতি প্ৰয়োজন। হিমায়িত শুক্ৰৰ জৰিয়তে কৃত্ৰিম প্ৰজনন পদ্ধতি অৱলম্বন কৰি মতা ছাগলী পালনৰ খৰছৰ পৰা ৰেহাই পাব পৰা যায়। আজিকালি চৰকাৰী ভাবে এনে হিমায়িত শুক্ৰৰ ব্যৱস্থা কৰা হৈছে।

**খাদ্যাভাষ ঃ**

জন্মৰ লগে লগে পোৱালিকেইটাক মাকৰ ফেঁছু খাবলৈ দিয়াটো অতি প্ৰয়োজন। জন্মৰ পৰা প্ৰায় তিনিমাহ পৰ্য্যন্ত পোৱালিবোৰক মাকৰ গাখীৰ খাবলৈ দিব লাগে। ছাগলীয়ে সকলো ধৰণৰ ঘাঁহ-বন, গছৰ পাত যেনে - আম, কঠাল, নিম, গমাৰি, চুবাবুল, মধুৰিয়াম, ডিমৰু, আঁহত, কাঞ্চন, থেকেৰা ইত্যাদি খায়। উন্নত জাতৰ ঘাঁহ যেনে- গিনি, নেপিয়াৰ, পেৰা, মাকৈ আদিৰ খেতি কৰি ইহঁতক খাদ্য যোগান ধৰিব পাৰি। ছাগলীক প্ৰচুৰ পৰিমাণে পৰিস্কাৰ খোৱা পানীৰ যোগান ধৰিব লাগে। ইয়াৰোপৰি বিজ্ঞানসন্মতভাৱে উপযুক্ত সুষম খাদ্যৰ (১০ কিলোগ্ৰামৰ ওজনৰ ছাগলী এজনীৰ বাবে দিনে প্ৰায় ১০০ গ্ৰাম) ব্যৱস্থা কৰিলে অধিক সুফল পোৱা যায়।



মুখ্য গৱেষক, সৰ্বভাৰতীয় সমন্বিত ছাগলী গৱেষণা প্ৰকল্প, ছাগলী গৱেষণা কেন্দ্ৰ; অসম কৃষি বিশ্ববিদালয়, বৰ্ণিহাট - ৭৯৩১০১ ৰ দ্বাৰা প্ৰকাশিত আৰু মাইক্ৰ কম্প-টেক্, ছয়মাইল, গুৱাহাটীৰ দ্বাৰা মুদ্ৰিত।

DRV/Pub-80/2013-14/27



# ছাগলীৰ বিজ্ঞান সন্মত প্ৰতিপালন

প্ৰস্তুত কৰোঁতা ঃ

ড০ নৰ নাহৰডেকা

ড০ আব্দুচ চালেক ড০ অঙ্কুৰ দাস

ড০ ৰুমি গগৈ শৰ্মা ড০ জয় প্ৰকাশ শৰ্মা

সৰ্বভাৰতীয় সমন্বিত ছাগলী উন্নয়ন প্ৰকল্প
ছাগলী গৱেষণা কেন্দ্ৰ, অসম কৃষি বিশ্ববিদ্যালয়
বৰ্ণিহাট, কামৰূপ, অসম

গৱেষণা সঞ্চালকালয় (পশুচিকিৎসা)
অসম কৃষি বিশ্ববিদ্যালয়, খানাপাৰা
গুৱাহাটী - ৭৮১০২২